**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-09-2024
**Time :** 1205 Hrs.

***Assamese Bulletin***
-----------------------------

অসামৰিক সেৱা পৰীক্ষাৰ জলপানিৰ বাবে অসমৰ ৰাজভৱনৰ তৰফৰ পৰা ৰাজ্যপাল **অসমৰ প্ৰতিভা উদগণিমূলক আঁচনি ২০২৪-২৫** শীৰ্ষক আঁচনিখনৰ বাবে আবেদন প্ৰপত্ৰ আহ্বান কৰা হৈছে। বিতং তথ্যৰ বাবে প্ৰাৰ্থীসকলে gappy.assam.gov.in -ৰ জৰিয়তে অহা ৬ অক্টোবৰৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ অনলাইনযোগে দাখিল কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০০

অহা ২৯ ছেপ্তেম্বৰত অনুষ্ঠিত হ'বলগীয়া স্নাতক পৰ্যায়ৰ তৃতীয়বৰ্গৰ পৰীক্ষাৰ বাবে আজি ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। প্ৰাৰ্থীসকলক পৰীক্ষা কেন্দ্ৰত প্ৰৱেশৰ আগত মেটেল ডিটেক্টৰৰ জৰিয়তেও তালাচী চলোৱা হ'ব। এই সন্দৰ্ভত যদি প্ৰাৰ্থীসকলে কোনো অসুবিধাৰ সন্মুখীন হৈ তেন্তে তেওঁলোকে পৰীক্ষা কেন্দ্ৰৰ মুৰববীজনক অৱগত কৰিব পাৰিব।

০০০০০০০

অসমীয়া গ্ৰামাফোন ৰেকৰ্ডৰ শতবৰ্ষ অনুষ্ঠান ২৭ ছেপ্তেম্বৰত অনুষ্ঠিত হ'ব। গুৱাহাটীৰ লক্ষীৰাম বৰুৱা সদনত বিয়লি ৫ বজাত হ'বলগীয়া এই কাৰ্যসূচীত আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱ গোস্বামী মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। বিশিষ্ট শিল্পি লোকনাথ গোস্বামীয়ে এই অনুষ্ঠানত শতবৰ্ষ বক্তৃতা প্ৰদান কৰিব। এই অনুষ্ঠানত অসমৰ সাহিত্য-সংস্কৃতি আৰু সংগীত জগতৰ স্বনামধন্য ব্যক্তিসকলে ভাগ ল'ব। উদ্বোধনী অনুষ্ঠানত প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ গীত পৰিৱেশনৰ লগতে গ্ৰামোফোন ৰেকৰ্ড আৰু ৰেকৰ্ডৰ কপি প্ৰদৰ্শন কৰা হ'ব।

০০০০০০০

শিল্পী সাহায্য নিধি অসমে অহা ২৬ ছেপ্তেম্বৰৰ বিয়লি ৩ বজাত গুৱাহাটী প্ৰেছ ক্লাবত ইয়াৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি **শিল্পপ্ৰাণ মাখন দেৱান স্মাৰক বঁটা ২০২৪** প্ৰদান কৰিব। উল্লেখযোগ্য যে বিগত ৩০ বছৰে শিল্পী সাহায্য নিধিয়ে অসমৰ দুৰ্গত শিল্পী, কলা-কুশলীসকললৈ আৰ্থিক সাহায্য আগবঢ়াই আছে। এই বেলি মঞ্চ, চলচ্চিত্ৰ আৰু অনাতাঁৰৰ প্ৰসিদ্ধ অভিনেতা নীলু চক্ৰৱৰ্তীলৈ এই বঁটা আগবঢ়োৱা হৈছে।

০০০০০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ পথত অগ্ৰসৰ হোৱাৰ উপলক্ষে চৰকাৰে **যুৱ শক্তিক গতি প্ৰদান**ৰ লক্ষ্যৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই প্ৰসংগত কৈছে যে যুৱক-যুৱতীসকলক নতুন চাকৰি লাভ কৰাৰ লগতে অতিৰিক্ত আয়ৰ উৎস সৃষ্টিৰ বাবে প্ৰয়োজনীয় দক্ষতাৰে গঢ়ি তুলিবলৈ চৰকাৰ বদ্ধপৰিকৰ। উল্লেখযোগ্য যে তৃতীয়টো কাৰ্যকালৰ প্ৰথম ১০০ দিনত চৰকাৰে প্ৰধানমন্ত্ৰী পুঁজিৰ অধীনত দক্ষতা বিকাশ তথা নিয়োগ সৃষ্টিৰ

বাবে ২ লাখ কোটি টকা ঘোষণা কৰিছে। ইয়াৰ জৰিয়তে দেশৰ ৪ কোটিৰো অধিক যুৱক-যুৱতী উপকৃত হ'ব। আনহাতে বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱন পৰিস্থিতিতন্ত্ৰ শক্তিশালী  কৰাৰ বাবে চৰকাৰে ১০ হাজাৰ ৬০০ কোটি টকা ব্যয়েৰে বিজ্ঞান ধাৰা আঁচনিত অনুমোদন জনাইছে। একেদৰে যুৱক-যুৱতীসকলৰ মাজত ক্ৰীড়া প্ৰতিভাৰ প্ৰশিক্ষণৰ বাবে খেলো ইণ্ডিয়া উদীয়মান প্ৰতিভা চিনাক্তকৰণ কাৰ্যসূচী আৰম্ভ কৰা হৈছে। ড্ৰাগছ্‌ সম্পৰ্কীয় সমস্যাসমূহৰ ক্ষেত্ৰত সহায় আৰু প্ৰতিবেদনৰ বাবে আৰম্ভ কৰা **মানস হেল্পলাইনে** ড্ৰাগছমুক্ত ভাৰতত অৰিহণা যোগাইছে। তদুপৰি প্ৰায় ১ কোটি যুৱক-যুৱতীয়ে শীৰ্ষৰ ৫০০টা কোম্পানীত ইণ্টাৰ্ণশ্বিপৰ সুযোগ লাভৰ ব্যৱস্থা কৰাৰ লগতে এহেজাৰখন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান উন্নীতকৰণৰ সমান্তৰালকৈ ২০ লাখ যুৱক-যুৱতীক দক্ষতা বিকাশৰ সুযোগ দিয়াৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। আনহাতে, প্ৰশ্নকাকত ফাদিল ৰোধ কৰাৰ লগতে নিযুক্তি প্ৰক্ৰিয়া স্বচ্ছ কৰি তুলিবলৈ ৰাজহুৱা পৰীক্ষা আইন প্ৰৱৰ্তন কৰা হৈছে। নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেটত বিভিন্ন খণ্ডত কৰ্মসংস্থাপন সৃষ্টিৰ বাবে ১১ দশমিক ১১ লাখ কোটি টকা মূলধনী ব্যয় ধাৰ্য কৰা হৈছে। তদুপৰি, কেন্দ্ৰীয় মন্ত্ৰালয় আৰু বিভাগসমূহত ১৫ হাজাৰ নিযুক্তি প্ৰদান কৰা হৈছে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অসমীয়া ভাষাৰ সাধাৰণ ঘোষণা তথা শিশু আৰু মহিলা শাখাৰ লগতে হিন্দী, নেপালী, কাৰ্বি, বড়ো, চাহ জনগোষ্ঠীৰ অনুষ্ঠান আৰু পাশ্চাত্য সংগীত শাখাত অংশকালীন ঘোষক-ঘোষিকাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। ২০ৰ পৰা ৫০ বছৰ বয়সৰ ভিতৰৰ স্নাতক ডিগ্ৰীধাৰী প্ৰাৰ্থীয়ে ইয়াৰ বাবে আবেদন কৰিব পাৰিব। প্ৰাৰ্থী গুৱাহাটী পৌৰ এলেকাৰ বাসিন্দা হ'ব লাগিব। আগ্ৰহীসকলে আকাশবাণী গুৱাহাটীৰ ফেচবুক পেজ AIR GUWAHATI-ৰ পৰা আবেদন প্ৰ-পত্ৰ ডাউনল'ড কৰি অথবা আকাশবাণী গুৱাহাটীৰ সমন্বয় শাখাৰ পৰা আবেদন প্ৰ-পত্ৰ সংগ্ৰহ কৰি যাৱতীয় নথিৰ সৈতে অহা ৪ অক্টোবৰৰ ভিতৰত জমা দিব লাগিব। প্ৰাৰ্থীসকলক লিখিত পৰীক্ষা, কণ্ঠস্বৰ পৰীক্ষা আৰু সাক্ষাতকাৰৰ জৰিয়তে নিৰ্বাচন কৰা হ'ব।

০০০০০০০

সমাপ্ত